# 2016

## ASSAMESE

## ( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) হিন্দী সাহিত্যৰ প্ৰথমখন উপন্যাসৰ নাম লিখা।

(খ) হোসেন মিঞা কোন ?

(গ) 'নিৰ্মলা' উপন্যাসখনিৰ লেখকগৰাকীৰ নাম কি ?

(ঘ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰথম প্ৰকাশিত গল্পপুথিখনি কি ?

(ঙ) হিন্দী ছায়াবাদ যুগৰ ঐতিহাসিক উপন্যাস এখনৰ নাম লিখা।

(চ) 'কফন' মানে কি ?

(ছ) 'পদ্মানদীৰ মাঝি' উপন্যাশিখনিৰ সমধৰ্মী এখন অসমীয়া আঞ্চলিক উপন্যাসৰ নাম লিখা।

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) মমতা কোন? তেওঁৰ দেউতাকৰ নাম কি আছিল?

(খ) "গৰীৱ কী ঝোপৰী সে লেকৰ গৱৰ্নমেন্ট হাউচ তক উচকী পহুঁচ হে।" ইয়াত কাৰ কথা কোৱা হৈছে? কথাষাৰ কোনে কৈছে?

(গ) 'সংসাৰ কা আনমোল ৰত্ন' কোন আলোচনীত প্ৰথম প্ৰকাশ পাইছিল? গ্ৰন্থখনিৰ লেখক কোন?

(ঘ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনিৰ কাহিনী গঢ় লোৱা ভূখণ্ডৰ পৰিচয় দিয়া।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) হিন্দী সাহিত্যৰ ছায়াবাদ যুগৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) ঘীসু আৰু মাধৱে কফন আনিবলৈ গৈ মধুশালাত কেনে পৰিৱেশৰ মুখামুখি হৈছিল, বৰ্ণনা কৰা।

(গ) 'পোষ্টমাষ্টাৰ' গল্পটিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) কপিলাৰ প্ৰতি কুবেৰৰ আসক্তিত প্ৰকাশ পোৱা উদ্দামতা চমুকৈ বৰ্ণনা কৰা।

(ঙ) মমতাৰ সম্পূৰ্ণ জীৱন কেনেদৰে সমাজৰ সেৱাত উৎসৰ্গিত হৈছিল, আলোচনা কৰা।

৪। বাংলা উপন্যাস সাহিত্যলৈ মাণিক বন্দ্যোপাধ্যায়ৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

'পদ্মানদীৰ মাঝি' উপন্যাসত গোষ্ঠীজীৱনাশ্ৰিত বাস্তৱতা আৰু ব্যক্তিজীৱনৰ ৰমণ্যাসিক স্বপ্ন-কামনা কেনেদৰে প্ৰকাশিত হৈছে, পৰ্যালোচনা কৰা। ১০

৫। 'ময়লা আঁচল' উপন্যাসখনিত স্বাধীনতা আন্দোলনৰ সমসাময়িক সমাজখনৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা। ১০

*অথবা*

'পোষ্টমাষ্টাৰ' গল্পৰ মাজত প্ৰকাশ পোৱা ৰতনৰ নাৰীমনৰ উত্তৰণৰ আভাস দিয়া। ১০

৬। 'কফন' গল্পটিত প্ৰেমচান্দে দৰিদ্ৰতাৰ চিত্ৰ কেনেদৰে ৰূপায়িত কৰিছে, পৰ্যালোচনা কৰা। ১০

*অথবা*

ছায়াবাদ যুগৰ হিন্দী সাহিত্য সম্পৰ্কে এটি পৰ্যালোচনা আগবঢ়োৱা। ১০

★★★